# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-07-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। দুদিনীয়া ব্ৰীক্‌ছ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যোৱানিশা ব্ৰাজিলৰ ৰাজধানী ব্ৰাছিলিয়াত উপস্থিত হয়।

২। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ নাম শান্তিৰ ন'বেল বঁটাৰ বাবে প্ৰস্তাৱ কৰি ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে ন'বেল কমিটীলৈ মনোনয়ন প্ৰেৰণ কৰিছে।

৩। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ নাম ভুলকৈ উচ্চাৰণ কৰি তেওঁলোকক অসন্মান কৰিছে বুলি বিজেপিয়ে অভিযোগ কৰিছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছত হোৱা ভয়ংকৰ বানত মৃত্যুৰ সংখ্যাই ১০০ অতিক্ৰম কৰিছে।

আৰু

৫। প্ৰাক্তন চেম্পিয়ন নোভাক জকভিছে উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত অনুষ্ঠিত দুদিনীয়া ব্ৰীক্‌ছ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যোৱানিশা দেশখনৰ ৰাজধানী ব্ৰাছিলিয়াত উপস্থিত হয়। ব্ৰাছিলিয়াত তেওঁক ব্ৰাজিলৰ প্ৰতিৰক্ষা মন্ত্ৰী জ'ছ মুছিঅ' মণ্টেৰিঅ' ফিলহ'ই বিমান বন্দৰত আদৰণি জনায়। বিমান বন্দৰত অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীক পৰম্পৰাগত ব্ৰাজিলিয়ান চাম্বা নৃত্যৰে সম্ভাষণ জনোৱা হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে বাটালা মুনড' নামৰ সংগীত গোষ্ঠীটোৱে পৰিৱেশন কৰা এই নৃত্য-সংগীতৰ অনুষ্ঠানে আফ্ৰিকীয়-ব্ৰাজিলিঅ' সংগীতক গোলকীয় পৰিচয় দিবলৈ সমৰ্থ হৈছে। প্ৰধানমন্ত্ৰী মোদীক ব্ৰাজিলবাসী ভাৰতীয়সকলেও বিমান বন্দৰত সমবেত হৈ আদৰণি জনায়। শ্ৰী মোদীয়ে এই আদৰণিক স্মৰণীয় হিচাপে বৰ্ণনা কৰি শিপাৰ সৈতে প্ৰবাসী ভাৰতীয়সকলে ৰক্ষা কৰি অহা সংযোগক প্ৰশংসা কৰে। ভাৰত আৰু ব্ৰাজিলৰ শক্তিশালী অংশীদাৰিত্বক নতুন মাত্ৰা দিয়াৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী মোদী ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাছিঅ' লুলা ডা ছিল্‌ভাৰ সৈতে আজি প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হ'ব। এই বৈঠকত বাণিজ্য, প্ৰতিৰক্ষা, শক্তি, মহাকাশ, প্ৰযুক্তি, কৃষি, স্বাস্থ্য আৰু জনসম্পৰ্কৰ দৰে বিষয়সমূহৰ সন্দৰ্ভত দুয়োগৰাকী নেতাই আলোচনা কৰিব। ব্ৰাজিলত থকা ভাৰতৰ ৰাষ্ট্ৰদূত দীনেশ ভাটিয়াই প্ৰকাশ কৰা অনুসৰি দুয়োখন দেশে কমেও চাৰিখন গুৰুত্বপূৰ্ণ চুক্তিত উপনীত হোৱাৰ আশা আছে। ব্ৰাজিল ভ্ৰমণৰ সামৰণি পেলাই কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পাঁচদেশীয় ভ্ৰমণৰ শেষ পৰ্যায়ত নামিবিয়ালৈ যাব।

০০০০০০০০০

শান্তি স্থাপনৰ অৰ্থে লোৱা ভূমিকাৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ নাম শান্তিৰ ন'বেল বঁটাৰ বাবে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে প্ৰস্তাৱ কৰিছে। বছৰটোৰ তৃতীয়খন বৈঠকত মিলিত হৈ কালি হোৱাইট হাউছৰ এটা নৈশ ভোজত প্ৰধানমন্ত্ৰী নেতান্যাহুৱে ন'বেল কমিটীলৈ তেওঁ পঠিওৱা মনোনয়ন পত্ৰৰ এটা প্ৰতিলিপি ৰাষ্ট্ৰপতি ট্ৰাম্পক প্ৰদান কৰে। তেওঁ বিশেষকৈ পশ্চিম এছিয়াত শান্তি আৰু সুৰক্ষা স্থাপনৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতি ট্ৰাম্পে লোৱা ভূমিকাৰ উচ্চ প্ৰশংসা কৰে। এই বৈঠকত প্ৰধানমন্ত্ৰী নেতান্যাহুৱে গাজাক পেলেষ্টাইনৰ পৰা মুক্ত কৰি বিলাসী মহানগৰ হিচাপে গঢ়ি তুলিবলৈ ড'নাল্ড ট্ৰাম্পে দিয়া বিতৰ্কিত প্ৰস্তাৱক মৌখিকভাৱে সমৰ্থন কৰে।

০০০০০০০০০

নেপালত বান পৰিস্থিতি প্ৰায় অপৰিৱৰ্তিত আছে। ৰাছুৱা জিলাৰ বিভিন্ন অঞ্চলত আৱদ্ধ হৈ থকা ৯ গৰাকী লোকক ইতিমধ্যে উদ্ধাৰ কৰা হৈছে। নেপাল-চীন সীমান্তৰ সমীপত তেওঁলোক আৱদ্ধ হৈ আছিল। আনহাতে, যোগাযোগ বিচ্ছিন্ন হৈ থকা ৩৭ গৰাকী লোকৰ ২২ গৰাকী এটা আশ্ৰয় শিবিৰত সুৰক্ষিত হৈ থকা বুলি জনা গৈছে আৰু বাকী ১৫ গৰাকীৰ সন্ধান অব্যাহত আছে। দেশখনৰ গৃহ মন্ত্ৰ্যালয়ৰ কাৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি বেয়া বতৰৰ বাবে ৰাছুৱাত উদ্ধাৰ অভিযানৰ বাবে হেলিকপ্তাৰ প্ৰেৰণ কৰিব পৰা হোৱা নাই। ৰাছুৱাৰ ঘাইপথটো বানত ক্ষতিগ্ৰস্ত হৈছে। ফলত উদ্ধাৰকাৰী বাহিনীৰ দল বানবিধবস্ত অঞ্চল উপস্থিত হোৱাত প্ৰতিবন্ধকতাৰ সৃষ্টি হৈছে। লেগু়ে সোঁতে নেপাল আৰু চীনৰ ভূভাগক সংযোগ কৰা ৰাছুৱা জিলাৰ মিটেৰিপুল দলংখন উটুৱাই নিয়ে। চীনৰ ভূখণ্ডত হোৱা প্ৰৱল বৰষুণৰ ফলতে অঞ্চলটোত বানৰ সৃষ্টি হৈছে। এই বানত নেপালৰ ৰাছুৱাগাধি জলবিদ্যুৎ প্ৰকল্পৰ বান্ধটোৱো বহু পৰিমাণে ক্ষতি হৈছে। আন এটা ঘটনাত নোৱাকট জিলাৰ এটা দ্বীপত ত্ৰিশূলী নদীৰ বানত আৱদ্ধ হৈ থকা দুজন লোকক উদ্ধাৰ কৰা হৈছে। সেনা বাহিনীৰ হেলিকপ্তাৰে তেওঁলোকক উদ্ধাৰ কৰে।

০০০০০০০০০

তামিলনাডুৰ কুড্ডাল'ৰ জিলাৰ চেম্মানকুপ্পামৰ এটা লেভেল ক্ৰ'ছিঙত আজি পুৱা এখন স্কুল ভানত এখন ৰে'লগাড়ীয়ে খুন্দা মৰাৰ ফলত তিনিজন শিক্ষাৰ্থীৰ মৃত্যু হয় আৰু কমেও ৫ জন আহত হয়। এই দুৰ্ঘটনাত তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে গভীৰ শোক প্ৰকাশ কৰিছে আৰু ক্ষতিপূৰণ ঘোষণা কৰিছে। তেওঁ নিহতৰ পৰিয়াললৈ ৫ লাখ টকাকৈ, গুৰুতৰভাৱে আহত সকললৈ এক লাখ টকাকৈ আৰু সাধাৰণভাৱে আহতসকললৈ ৫০ হাজাৰ টকাকৈ সাহায্য দিয়াৰ কথা প্ৰকাশ কৰে। আহতসকলক পুডুচেৰীৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। এই দুৰ্ঘটনাৰ বাবে লেভেল ক্ৰ'ছিঙৰ গেট কীপাৰজনক সাময়িকভাৱে নিলম্বন কৰা হৈছে আৰু দুৰ্ঘটনাটোৰ তদন্তৰ নিৰ্দেশ দিয়া হৈছে।

০০০০০০০০০

কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ নাম ভুলকৈ উচ্চাৰণ কৰি তেওঁলোকক অসন্মান কৰিছে বুলি বিজেপিয়ে অভিযোগ কৰিছে। আজি নতুন দিল্লীত এখন সংবাদমেলত বিজেপিৰ মুখপাত্ৰ গৌৰৱ ভাটিয়াই অভিযোগ কৰি কয়, যে ইয়াৰ জৰিয়তে কংগ্ৰেছ দলৰ মহিলা আৰু দলিত বিৰোধী মনোভাৱ প্ৰতিফলিত হৈছে। শ্ৰী খাৰ্গেই ৰাজহুৱাকৈ কৰা এনে মন্তব্যৰ বাবে তেওঁ লিখিতভাৱে ক্ষমা খুজিব লাগে বুলিও শ্ৰী ভাটিয়াই দাবী কৰে। ৰাহুল গান্ধীকে ধৰি কংগ্ৰেছ নেতাসকলে শ্ৰী খাৰ্গেৰ এনে অবাঞ্চনীয় মন্তব্যৰ বাবে তেওঁক ভৰ্ৎসনা কৰিছেনে নাই, সেই বিষয়েও বিজেপিৰ মুখপাত্ৰ শ্ৰী ভাটিয়াই প্ৰশ্ন কৰে।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছৰ মধ্যভাগত হোৱা ভয়ংকৰ বানত মৃত্যুৰ সংখ্যাই ১০০ অতিক্ৰম কৰিছে। ইয়াৰে বেছিভাগেই কেৰ কাউণ্টিৰ বুলি জনা গৈছে। কেৰ কাউণ্টিৰ এটা গ্ৰীষ্মকালীন শিবিৰত ২৮ গৰাকী কিশোৰৰ মৃত্যু হয়। টেক্সাছৰ উপ-ৰাজ্যপাল ডেন পেট্ৰিকে কয়, যে যদিহে গুৱাডালুপে নদীৰ সৈতে বান সতৰ্কীকৰণ সংকেত সংযোগ কৰা হ'লহেঁতেন, তেতিয়া মৃত্যুৰ সংখ্যাও কম হ'লহেঁতেন। ইপিনে, ৰাষ্ট্ৰীয় বতৰ সেৱাৰ ক্ষেত্ৰত আবণ্টিত পুঁজি কৰ্তনৰ পৰামৰ্শ হোৱাইট হাউছে অগ্ৰাহ্য কৰিছে।

০০০০০০০০০

নৌবাহিনীৰ মুৰববী এডমিৰেল দীনেশ কে ত্ৰিপাঠী এয়াৰচীফ মাৰ্শ্বেল এ পি সিং আৰু স্থলসেনা বাহিনীৰ মুৰববী জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে আজি নতুন দিল্লীত জ্যেষ্ঠ সেনা বিষয়াসকলৰ এখন বৈঠকত ভাষণ দিয়ে। তিনিওটা বাহিনীৰ এখন যুটীয়া অভিযান আয়োজন সন্দৰ্ভত আয়োজিত বৈঠকত তিনিওগৰাকী মুৰববীয়ে সেনা বাহিনী তিনিটাৰ একতা সন্দৰ্ভত তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। ভৱিষ্যতে হ'ব পৰা যুদ্ধসদৃশ পৰিৱেশৰ সৈতে মুখামুখি হোৱাৰ বাবে সমন্বিত সামুদ্ৰিক আৰু বায়ু সেনা বাহিনীৰ যুদ্ধ কৌশল সন্দৰ্ভত বিশেষ গুৰুত্ব আৰোপ কৰি যুটীয়া অভিযানৰ পৰিকল্পনা যুগুত কৰাৰ উদ্দেশ্যে এই বৈঠকত ভাৰতীয় স্থলসেনা বাহিনীৰ মুৰববীয়ে বিশেষ গুৰুত্ব আৰোপ কৰে।

০০০০০০০০০

অমৰনাথ যাত্ৰাৰ আজি ষষ্ঠ দিন। যোৱা ৩ জুলাইত আৰম্ভ হোৱা বাৰ্ষিক ৩৮ দিনীয়া অমৰনাথ যাত্ৰা সুকলমে অব্যাহত আছে। দক্ষিণ কাশ্মীৰৰ অনন্তনাগ জিলাৰ নুনৱান পেহেলগাম বেচ কেম্প আৰু গান্দেৰৱাল জিলাৰ বালতাল এই দুই পথেৰে ভক্তসকলে যাত্ৰা কৰিছে। বৰফ জমা হৈ শিৱলিংগৰ আকৃতি গ্ৰহণ কৰাৰ বাবে এই পৱিত্ৰ গুহা জনাজাত। কাশ্মীৰৰ হিমালয় পাদদেশীয় এলেকাত ১২ হাজাৰ ৭৫৬ ফুট উচ্চতাত এই গুহা অৱস্থিত। যোৱা ৫ টা দিনত ৯৩ হাজাৰতকৈ অধিক ভক্তই অমৰনাথ গুহা দৰ্শন কৰিছে। বহুতৰপীয়া সুৰক্ষা ব্যৱস্থাৰ মাজেৰে দৈনিক কেবাহাজাৰো যাত্ৰীয়ে জম্মুৰ মূল শিবিৰৰ পৰা যাত্ৰা আৰম্ভ কৰে।

ooooooooo

প্ৰাক্তন চেম্পিয়ন নোভাক জকভিছে চলিত বৰ্ষৰ উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰি-কোৱাৰ্টাৰ ফাইনেলত খেলুৱৈগৰাকীয়ে অষ্ট্ৰেলিয়াৰ এলেক্স ডি মিনাউৰক ১-৬, ৬-৪, ৬-৪, ৬-৪ ফলাফলত পৰাস্ত কৰে। এইবাৰকে ধৰি জকভিচে ১৬ বাৰৰ বাবে প্ৰতিযোগিতাখনৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। এই পৰ্যন্ত খেলুৱৈগৰাকীয়ে  উইম্বলডন টেনিছ প্ৰতিযোগিতাত ১০১ খন খেলত জয়ী হোৱাৰ বিপৰীতে মাত্ৰ ১১ খনতহে পৰাজয়ৰ মুখ দেখিছে। ৰোজাৰ ফেডাৰাৰৰ নামত প্ৰতিযোগিতাত সৰ্বাধিক ১০৫ খন খেলত জয়ী হোৱাৰ অভিলেখ আছে।

ইপিনে, বিশ্বক্ৰমৰ শীৰ্ষস্থানৰ খেলুৱৈ জেনিক চিনাৰেও প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰি-কোৱাৰ্টাৰ ফাইনেলত খেলুৱৈগৰাকী প্ৰতিদ্বন্দ্বী গ্ৰিগৰ ডিমিট্ৰোভৰ বিৰুদ্ধে ৬-৩, ৭-৫ ফলাফলত পিছ পৰি আছিল যদিও বিজয়ৰ প্ৰাক্‌মুহূৰ্তত ডিমিট্ৰোভে আঘাতৰ পৰিপ্ৰেক্ষিতত খেলখনৰ পৰা আধাতে বিদায় ল'ব লগা হয়।

ooooo

থাইলেণ্ডত অনুষ্ঠিত মহিলাৰ এ এফ চি এচিয়ান কাপ কোৱালিফায়াৰ্ছত সাফল্য অৰ্জন কৰি স্বদেশলৈ উভতি অহা ভাৰতৰ ফুটবল দলটোক কালি নতুন দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত বিপুল আদৰণি জনোৱা হয়। প্ৰতিযোগিতাত দলটোৱে মংগোলিয়া, টিমৰ লেষ্টে, ইৰাক আৰু আয়োজক থাইলেণ্ডৰ বিৰুদ্ধে চাৰিওখন খেলতে জয়লাভ কৰিছিল। এই সাফল্যৰ বাবে অল ইণ্ডিয়া ফুটবল ফেডাৰেছনে দলটোলৈ ৪৩ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছে। দলটোৱে অহা বছৰ মাৰ্চত অষ্ট্ৰেলিয়াত হ'বলগা মহিলাৰ এ এফ চি এচিয়ান কাপ প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বিতা কৰিব।

ooooo

সমাপ্ত